# The Socio-Economic condition of Thai-Khamiyang Women of Chalapather Syam Gaon of Charaideo District: A Study

**A Project Work submitted for the fulfillment of B.A. Degree by 6th Semester Education (Honours), Discipline Specific Elective (DSE)-604 (CBCS), 2022 under Dibrugarh University**

Checked by
(External Evaluator)
7/7/2022


**Submitted By :**

**Name : Priyanka Sharma**
**Roll No : 10710038**
**Registration No : S1926546**
**Session : 2022**
**B.A. 6th Semester**
**Education (Honours)**
**Hem Chandra Dev Goswami College, Nitaipukhuri, Sivasagar**

# প্ৰমাণ পত্ৰ

"চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ তাই খামিয়াং মহিলাসকলৰ আৰ্থ-সামাজিক অৱস্থা সম্পৰ্কে এক ক্ষেত্ৰভিত্তিক অধ্যয়ন" শিক্ষা বিভাগৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰী......প্ৰিয়ংকা শৰ্মা......য়ে সম্পন্ন কৰে আৰু DSEED 604 কাকতৰ উপযোগীকৈ প্ৰস্তুত কৰি শিক্ষা বিভাগত স্নাতক উপাধিৰ বাবে দাখিল কৰে।

এই প্ৰতিবেদন বিশেষজ্ঞ পৰীক্ষকলৈ মূল্যায়নৰ বাবে আগবঢ়োৱা হ'ল।

বিভাগীয় মূৰব্বী
শিক্ষাতত্ত্ব বিভাগ
হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়
নিতাইপুখুৰী, শিৱসাগৰ

HCDG COLLEGE
Department of Education
NITAIPUKHURI

# প্ৰমাণ পত্ৰ

"চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ তাই খামিয়াং মহিলাসকলৰ আৰ্থ-সামাজিক অৱস্থা সম্পৰ্কে এক ক্ষেত্ৰভিত্তিক অধ্যয়ন" শিক্ষা বিভাগৰ ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰী প্ৰিয়ংকা শৰ্মা য়ে সম্পন্ন কৰে আৰু DSEED 604 কাকতৰ উপযোগীকৈ প্ৰস্তুত কৰি শিক্ষা বিভাগত স্নাতক উপাধিৰ বাবে দাখিল কৰে।

এই প্ৰতিবেদন বিশেষজ্ঞ পৰীক্ষকলৈ মূল্যায়নৰ বাবে আগবঢ়োৱা হ'ল।

ড° ৰশ্মি ৰেখা দুৱৰা

তত্বাবধায়ক

শিক্ষাতত্ত্ব বিভাগ

হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়

নিতাইপুখুৰী, শিৱসাগৰ

HCDG COLLEGE
Department of Education
NITAIPUKHURI

## ঘোষণা পত্ৰ

"চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ তাই খামিয়াং মহিলাসকলৰ আৰ্থ-সামাজিক অবস্থা সম্পৰ্কে এক ক্ষেত্ৰভিত্তিক অধ্যয়ন" মোৰ নিজা অভিজ্ঞতাৰে নিৰ্বাচিত ক্ষেত্ৰলৈ গৈ সংগ্ৰহ কৰা তথ্যসামগ্ৰীৰ ওপৰত ভিত্তি কৰি এখন প্ৰতিবেদন প্ৰস্তুত কৰি সম্পন্ন কৰা হৈছে আৰু প্ৰতিবেদনখনি শিক্ষাতত্ত্ব বিভাগলৈ স্নাতক উপাধিৰ মূল্যায়নৰ বাবে আগবঢ়োৱা হৈছে।

প্ৰিয়ংবদা শৰ্মা

অনুসন্ধানকাৰী ছাত্ৰীৰ স্বাক্ষৰ

# কৃতজ্ঞতা পত্ৰ

সোনপ্ৰথমে ক্ষেত্ৰভিত্তিক অধ্যয়নত বিভিন্ন দিশত পৰামৰ্শ প্ৰদান কৰা শ্ৰদ্ধাৰ **ড° ৰশ্মি ৰেখা দুৱৰা** বাইদেউক আন্তৰিক কৃতজ্ঞতা জনাইছো।

এই অধ্যয়নত বিভিন্ন ক্ষেত্ৰত সু-পৰামৰ্শ প্ৰদান কৰাৰ বাবে বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা আৰু বিভাগীয় অধ্যাপিকাক।

এই অধ্যয়নত তথ্যদানকাৰী তাই খামিয়াং মহিলাসকল, শুভাকাংক্ষী ব্যক্তিসকলৰ সহায়ৰ বাবে তেওঁলোকক শলাগ লৈছো।

শেষত, এই প্ৰতিবেদন প্ৰস্তুত কৰোতে যিসকল সদাশয় ব্যক্তি আৰু বন্ধু বৰ্গই সহযোগিতা আগবঢ়ালে তেখেতসকলক ধন্যবাদ জ্ঞাপন কৰিলো।

প্ৰিয়াংকা শৰ্মা

অনুসন্ধানকাৰী ছাত্ৰীৰ স্বাক্ষৰ

## ঃ বিষয়সূচী ঃ


প্ৰমাণ পত্ৰ

ঘোষণা পত্ৰ

কৃতজ্ঞতা পত্ৰ

প্ৰধান শিতান পৃষ্ঠা নং

| | | |
|---|---|---|
| ১.০ | শিৰোনাম | ১ |
| ২.০ | লক্ষ্য আৰু উদ্দেশ্য | ১ |
| ৩.০ | অধ্যয়নৰ পটভূমি | ১-২ |
| ৪.০ | কাৰ্যপদ্ধতি | ২-৩ |
| ৪.১ | তথ্য সংগ্ৰহৰ উৎস | ২ |
| ৪.২ | জনসমষ্টি আৰু নমুনা | ২ |
| ৪.৩ | তথ্য সংগ্ৰহৰ আহিলা | ২ |
| ৪.৪ | তথ্য বিশ্লেষণ | ২ |
| ৪.৫ | অধ্যয়নৰ সীমাবদ্ধতা | ৩ |
| ৫.০ | অধ্যয়নৰ ফলাফল | ৩-৫ |
| ৫.১ | চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ আৰ্থ-সামাজিক অৱস্থা | ৩ |
| ৫.২ | চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ তাই খামিয়াং মহিলাসকলৰ আৰ্থিক দিশ | ৩-৪ |
| ৫.৩ | চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ তাই খামিয়াং মহিলাসকলৰ শৈক্ষিক দিশ | ৪-৫ |
| ৬.০ | সামৰণি | ৫ |
| ৭.০ | সমল গ্ৰন্থ | ৬ |

আলোকচিত্ৰ

প্ৰশ্নসূচী


Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

## ১.০ শিৰোনাম (Title) ঃ

চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ তাই খামিয়াং মহিলাসকলৰ আৰ্থ-সামাজিক অৱস্থা সৰ্ম্পকে এক ক্ষেত্ৰভিত্তিক অধ্যয়ন।

## ২.০ উদ্দেশ্যসমূহ (Objectives) ঃ

(ক) চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ তাই খামিয়াং মহিলাসকলৰ সমাজ ব্যৱস্থা সম্পৰ্কে অধ্যয়ন কৰা।
(খ) চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ তাই খামিয়াং মহিলাসকলৰ আৰ্থিক দিশ সম্পৰ্কে অধ্যয়ন কৰা।
(গ) চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ তাই খামিয়াং মহিলাসকলৰ শৈক্ষিক দিশ সৰ্ম্পকে অধ্যয়ন কৰা।


## ৩.০ অধ্যয়নৰ পটভূমি (Background of the Study) ঃ

মহিলাসকল পুৰুষৰ দৰেই সমাজৰ এক অবিচ্ছেদ্য অংগ। সমাজ এখন উন্নয়নৰ ক্ষেত্ৰত মহিলাসকলৰ ভূমিকা অপৰিসীম আৰু তাৎপৰ্য্যপূৰ্ণ। ঐতিহাসিক পটভূমিত দৃষ্টি নিক্ষেপ কৰিলে দেখা যায় যে বৈদিক শিক্ষা ব্যৱস্থাত নাৰীয়ে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছিল। খ্ৰীষ্টান মিছনেৰীসকলে মহিলাৰ বাবে 'জানানা স্কুল' প্ৰতিষ্ঠা কৰিছিল। ১৯ শতিকাৰ আৰম্ভণিতে বেনাৰসত এনি বেচান্তে হিন্দু মহিলাসকলৰ বাবে স্কুল স্থাপন কৰিছিল। অন্ধবিশ্বাস, কু-সংস্কাৰ দূৰ কৰি স্ত্ৰী- শিক্ষা বিকাশৰ আগভাগ গ্ৰহণ কৰা ব্যক্তিসকল আছিল ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, মহাত্মা গান্ধী প্ৰমুখ্য ব্যক্তিসকল। বৰ্তমান সময়তো মহিলাসকল নিজ ক্ষেত্ৰত নিজৰ যোগ্যতা প্ৰদৰ্শন কৰি আগবাঢ়িবলৈ সক্ষম হৈছে। মহিলাসকলে দেশৰ আৰ্থ সামাজিক তথা জাতীয় বিকাশত বিশেষ অৰিহণা যোগায় উপযুক্ত ক্ষেত্ৰ সা-সুবিধা আদিত নিজৰ অন্তৰ্নিহিত সুপ্ত প্ৰতিভাৰ বিকাশ ঘটাব পাৰে। মহিলাসকলৰো শাৰীৰিক, মানসিক, নৈতিক, বৌদ্ধিক ইত্যাদি দিশত যোগ্যতা আৰু প্ৰতিভা থকা দেখা যায়। কুৰি শতিকাৰ আৰম্ভণিতে এনি বেচাণ্ট, মহাত্মা গান্ধীয়ে মহিলা শিক্ষাৰ বিস্তাৰৰ কাৰণে চেষ্টা চলাইছিল। উডৰ শিক্ষা নিৰ্দেশ পত্ৰত স্ত্ৰী শিক্ষাৰ দিশটোত অধিক গুৰুত্ব প্ৰদান কৰা হয় আৰু প্ৰতিবেদনত স্ত্ৰী শিক্ষাৰ উন্নতিৰ হকে বিভিন্ন পৰামৰ্শ আগবঢ়াইছিল। ১৯৬৪-৬৬ চনত কোঠাৰী আয়োগে উল্লেখ কৰিছিল যে, "বৰ্তমান আধুনিক যুগত মহিলাৰ ভূমিকা ঘৰৰ মাজতে সীমাবদ্ধ নহয়। তেওঁলোকে সকলো দিশতে সম অংশীদাৰ হ'ব লাগিব"। জৱাহৰলাল নেহৰুৱে কৈছিল,"এজন ল'ৰাক শিক্ষা দিয়া মানে এজন ব্যক্তিক শিক্ষা দিয়া, এগৰাকী নাৰীক শিক্ষা দিয়া মানে সমগ্ৰ পৰিয়ালটোক শিক্ষিত কৰা"। গতিকে মহিলাসকলৰ নিজৰ অধিকাৰ, কৰ্তব্য আৰু সামাজিক প্ৰস্থিতিৰ প্ৰতি সচেতনতা বৃদ্ধি কৰিবৰ বাবে আৰু সামগ্ৰিক ভাৱে আৰ্থ-সামাজিক বিকাশৰ বাবে স্ত্ৰী-শিক্ষাৰ অতি প্ৰয়োজন।

সমাজ এখন প্ৰগতি আৰু উন্নয়নৰ ক্ষেত্ৰত আৰ্থ-সামাজিক অৱস্থাৰ প্ৰভাৱ অপৰিসীম আৰু তাৎপৰ্য্যপূৰ্ণ। আৰ্থ-সামাজিক অৱস্থাক সমাজ ব্যৱস্থা, অৰ্থনৈতিক দিশ, শৈক্ষিক দিশ, ধৰ্মীয় দিশ, সাংস্কৃতিক আৰু অন্যান্য কাৰক সমূহে প্ৰভাৱান্বিত কৰে। এই দিশসমূহে এখন সমাজ উন্নয়নৰ দিশত আগুৱাই যোৱাত যথেষ্ট প্ৰভাৱ পেলায়। এখন সমাজ উন্নতিৰ দিশত আগবাঢ়িবলৈ পুৰুষ মহিলা সকলেও সমভাৱে অংশ গ্ৰহণ কৰি সামাজিকভাৱে সচেতন হোৱাটো প্ৰয়োজন। মহিলাসকলৰ আৰ্থ-সামাজিক অৱস্থা আৰু স্ত্ৰী শিক্ষাৰ গুৰুত্ব উপলব্ধি কৰিয়েই ক্ষেত্ৰভিত্তিক অধ্যয়নত উক্ত বিষয়টো নিৰ্বাচিত কৰা হৈছে। এই অধ্যয়ন চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওত সম্পন্ন কৰা হৈছে।

### চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ বিৱৰণ ঃ

উক্ত অধ্যয়ন অসম ৰাজ্যৰ চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওত সম্পন্ন কৰা হৈছে। চৰাইদেউ জিলা অসমৰ পূব প্ৰান্তত অৱস্থিত। চৰাইদেউ জিলাৰ এখন অন্যতম ঠাই চেপন। চেপনৰ পৰা ১১ কি.মি. নিলগত চলাপথাৰ শ্যাম গাঁও অৱস্থিত। গাঁওখনৰ পূবে চফ্ৰাই নদী, পশ্চিমে চলা চাংমাই গাঁও, উত্তৰে দিচাং নদী, দক্ষিণে উত্তৰ পূব সীমান্ত ৰেলপথ। গাঁওখনৰ মুঠ জনসংখ্যা ৭৪৩ জন। পুৰুষ ৩৬১ জন আৰু মহিলা ৩৮২ গৰাকী। গাঁওখনৰ অধিক জনসংখ্যাযুক্ত সম্প্ৰদায় হৈছে শ্যাম (মানে টাই ভাষী) টাই খাময়াং সম্প্ৰদায়। চলাপথাৰ শ্যাম গাঁওৰ বুঢ়া আলি, চালিবৰুৱা আলি, ৰজা আলি, হৰিহৃৎ আলি আৰু চেনেহী আলিৰ সংযোগী পথ, জয়নাথ আলি আৰু হৰিহৃৎ আলি সংযোগী পথ, জয়নাথ আলি আৰু বুঢ়া আলিৰ ১নং, ২নং, ৩নং সংযোগী পথ, খাংবুঢ়া আলি আদি যাতায়তৰ সংযোগী পথ।




**চৰাইদেউ জিলাৰ মানচিত্ৰ**



Deptt. of Education
D.G. College, Nitaipukhuri

চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ শৈক্ষিক বিৱৰণ ঃ

চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওত থকা বিদ্যালয় কেইখনমান হৈছে-

| ক্ৰমিক নং | বিদ্যালয়ৰ নাম | স্থাপিত | চৰকাৰী/ বেচৰকাৰী |
|---|---|---|---|
| ১ | ১৫৫ নং অংগনবাড়ী কেন্দ্ৰ | ২০০৬ | চৰকাৰী |
| ২ | ১৫৫ নং চলা এল. পি. স্কুল | ১৯১৮ | চৰকাৰী |
| ৩ | শিশু মন্দিৰ প্ৰাথমিক বিদ্যালয় | ১৯৭২ | চৰকাৰী |
| ৪ | চলা উচ্চ মাধ্যমিক বিদ্যালয় | ১৯৬৫ | চৰকাৰী |
| ৫ | চলা জ্ঞানোদয় উচ্চ চৰকাৰী পালি বিদ্যালয় | ১৯৪৮ | চৰকাৰী |

## ৪.০ কাৰ্যপদ্ধতি (Methodology) ঃ

উল্লেখিত লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত ভিত্তি কৰি বৰ্ণনাত্মক জৰীপ পদ্ধতিৰে এই অধ্যয়ন কাৰ্য্য সমাপন কৰা হৈছে।

## ৪.১ তথ্য সংগ্ৰহৰ উৎস (Source of Data Collection) ঃ

এই অধ্যয়নত দুটা উৎসৰপৰা তথ্য সংগ্ৰহ কৰা হৈছে। উৎস দুটা হৈছে প্ৰাথমিক আৰু গৌণ উৎস। প্ৰাথমিক উৎস হিচাপে চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ ৫০ গৰাকী মহিলাৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে। গৌণ উৎস হিচাপে পাঠ্যপুথি, গ্ৰন্থ, আলোচনী, বাতৰি কাকত, ইন্টাৰনেটৰ সহায় লোৱা হৈছে।

## ৪.২ জনসমষ্টি আৰু নমুনা (Population and Sample) ঃ

উক্ত অধ্যয়নৰ বাবে মুঠ জনসমষ্টি লোৱা হৈছে ৫০ গৰাকী মহিলা। এই নমুনা দল চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ পৰা নিৰ্বাচিত কৰা হৈছে।

**তালিকা ৪.১.১**

জনসমষ্টি আৰু নমুনা দলৰ শ্ৰেণীকৰণ

| ক্ৰমিক নং | জিলা | গাঁওৰ নাম | জনসমষ্টি | নমুনা |
|---|---|---|---|---|
| ১ | চৰাইদেউ | চলাপথাৰ শ্যাম গাঁও | মহিলা | ৫০ |
| মুঠ | - | - | - | ৫০ |

## ৪.৩ তথ্য সংগ্ৰহৰ আহিলা (Matarial of Data Collection) ঃ

উক্ত অধ্যয়ন কাৰ্যৰ প্ৰয়োজনীয় তথ্য সামগ্ৰী আহৰণ কৰিবৰ বাবে প্ৰশ্নসূচী প্ৰস্তুত কৰি ব্যৱহাৰ কৰা হৈছে। শিক্ষণ সঁজুলি হিচাপে কাগজ, কলম লগতে অনুসন্ধানকাৰীৰ পৰ্যবেক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

## ৪.৪ তথ্য বিশ্লেষণ (Analysis of Data) ঃ

তথ্য বিশ্লেষণ কৰোতে প্ৰাপ্ত তথ্যৰ ওপৰত ভিত্তি কৰি বৰ্ণনাত্মক বিশ্লেষণ পদ্ধতি, পাৰিসাংখ্যিক পদ্ধতি ব্যৱহাৰ কৰা হৈছে। নমুনা দলে প্ৰদান কৰা প্ৰশ্নসূচীবোৰ সংগ্ৰহ কৰি প্ৰশ্নসূচীসমূহ একেলগ কৰি লোৱা হ'ল আৰু শতকৰা হাৰ (%), দণ্ডচিত্ৰ (Bar Diagram)ৰ সহায় লৈ বিশ্লেষণ কৰা হ'ল।



Head
Dept. of Education
D.G. College, Nitaipukhuri

## ৪.৫ অধ্যয়নৰ সীমাবদ্ধতা (Limitations of the Study) ঃ

(১) চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওত এই অধ্যয়ন সীমাবদ্ধ কৰা হৈছে।

(২) চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ ৫০ গৰাকী মহিলাৰ মাজত এই অধ্যয়ন সীমাবদ্ধ কৰা হৈছে।

## ৫.০ অধ্যয়নৰ ফলাফল (Finding of the Study) ঃ

অধ্যয়নৰ ফলাফল তলত উল্লেখ কৰা ধৰণৰ-

### ৫.১ চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ তাই খামিয়াং মহিলাসকলৰ আৰ্থ-সামাজিক অৱস্থা ঃ

**চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ তাই খামিয়াং মহিলাসকলৰ সামাজিক অৱস্থা ঃ**

তাই খামিয়াং মহিলাসকলৰ সামাজিক জীৱন অতি সহযোগিতামূলক। তাই খামিয়াং মহিলাসকল শান্তিপ্ৰিয়, বিনয়ী আৰু ভদ্ৰ। অতিথিক আদৰ-আপ্যায়ণ কৰা তেওঁলোকৰ পৰম্পৰাগত ৰীতি। দৈনন্দিন ঘৰুৱা কাম বনত ব্যস্ত হৈ থকা মহিলা সকলে আজৰি সময়ত শিল্প কলাৰ চৰ্চাও অব্যাহত ৰাখে। তেওঁলোকৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, গীত-মাত, নৃত্য, বিবাহ, সাজপাৰ, আ-অলংকাৰ, খাদ্যাভাষ প্ৰণালী সামাজিক পৰম্পৰা আদি সকলোতে স্বকীয় বৈশিষ্ট্য বিদ্যমান।

**শাসন ব্যৱস্থা ঃ** শাসন ব্যৱস্থা সমাজ এখনৰ এক গুৰুত্বপূৰ্ণ দিশ। গাঁওৰ সামাজিক সিদ্ধান্তসমূহ গাঁওবুঢ়াৰ লগতে ধৰ্মগুৰু, গাওঁৰ বয়োজ্যেষ্ঠ আৰু মুখীয়াল ব্যক্তিসকলে সকলোৰে সহযোগত গ্ৰহণ কৰে। সামাজিক সিদ্ধান্তসমূহ গ্ৰহণ কৰোতে মহিলাসকলৰ মতামতক গুৰুত্ব দিয়ে।

**ধৰ্মবিশ্বাস ঃ** ধৰ্ম এক গুৰুত্বপূৰ্ণ সামাজিক সংস্থা। চলাপথাৰ শ্যাম গাঁওৰ বাসিন্দাসকলে বৌদ্ধ ধৰ্ম পালন কৰে। তেওঁলোকৰ ধৰ্ম কাৰ্যত ব্যৱহৃত ভাষা তাই আৰু পালি। তেওঁলোকে বছৰৰ বিভিন্ন সময়ত নিৰ্দিষ্ট ধৰ্মীয় উৎসৱসমূহ পালন কৰে। তাৰ ভিতৰত পয়ছাংকেন, বৰ্ষাবাস, অকৱাচাতাং অৰ্থাৎ প্ৰৱাৰণা উৎসৱ, বৌদ্ধ পূৰ্ণিমা ইত্যাদি।

**উৎসৱ অনুষ্ঠান ঃ** চলাপথাৰ শ্যাম গাওঁত পৰম্পৰাগতভাৱে পালন কৰা উৎসৱ অনুষ্ঠান সমূহ হৈছে - পয়ছাংকেন, বৰ্ষাবাস।

**পয়ছাংকেন ঃ** চ'তৰ সংক্ৰান্তিত পয়ছাংকেন উৎসৱৰ আৰম্ভণি হয়। এই উৎসৱত মহিলাসকলে আনন্দৰে অংশ গ্ৰহণ কৰে। পবিত্ৰ অন্তৰেৰে ভগৱান বুদ্ধৰ গুণ-গান গাই 'কা-আলং' আদি নৃত্য পৰিৱেশন কৰে।

**বৌদ্ধ পূৰ্ণিমা ঃ** চলাপথাৰ শ্যাম গাঁওৰ তাই খামিয়াং মহিলাসকলে পালন কৰা আন এটি উৎসৱ হৈছে বৌদ্ধ পূৰ্ণিমা।

**বৰ্ষা বাস ঃ** চলাপথাৰ শ্যাম গাঁওৰ তাই খামিয়াং মহিলাসকলে অংশগ্ৰহণ কৰা আন এটি উৎসৱ অনুষ্ঠান হৈছে বৰ্ষাবাস। আহাৰৰ পূৰ্ণিমাৰ পৰা আহিনৰ পূৰ্ণিমালৈকে তিনিমাহ ধৰি বৰ্ষাবাস অৰ্থাৎ 'খাওৱা' পালন কৰা হয়।

**অকৱাচাতাং অৰ্থাৎ প্ৰৱাৰণা ঃ** এই উৎসৱ লক্ষ্মী পূৰ্ণিমাৰ দিনা অনুষ্ঠিত হয়। ৰাতি বিশেষভাৱে তৈয়াৰী উৰন্ত আকাশ বন্তি 'ফুংফাই' উৰুৱায়। এই অনুষ্ঠানত মহিলাসকলে অংশ গ্ৰহণ কৰে।

### ৫.২ চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ তাই খামিয়াং মহিলাসকলৰ আৰ্থিক দিশ ঃ

মানুহৰ জীৱন যাপন প্ৰণালীৰ লগত অৰ্থনৈতিক দিশ জড়িত হৈ থাকে। চলাপথাৰ শ্যাম গাঁওৰ তাই খামিয়াং মহিলাসকলৰ আৰ্থিক অৱস্থা মধ্যমীয়া ধৰণৰ। তেওঁলোক প্ৰধানকৈ কৃষিকৰ্মৰ লগত জড়িত যদিও বয়ন শিল্প, শিল্প কলা, পশুপালন কৰাটো তাই খামিয়াং মহিলাসকলৰ প্ৰাচীন পৰম্পৰা। মহিলাসকল কৃষিকৰ্ম, ব্যৱসায় বৃত্তিৰ লগত জড়িত। চলাপথাৰ শ্যাম গাঁওৰ মহিলাসকল আত্মসহায়ক গোট আৰু তাঁত শিল্পৰ জৰিয়তে স্বাবলম্বী হোৱা দেখা গৈছে। গাঁওখনৰ সৰহ সংখ্যক লোকে চৰকাৰী সাহাৰ্য পকীঘৰ, অনাময় শৌচাগাৰ, বিদ্যুৎৰ ব্যৱস্থা আৰু চৰকাৰী ৰন্ধনগেছ লাভ কৰা পৰিলক্ষিত হৈছে। চলাপথাৰ শ্যাম গাঁওৰ তথ্যদানকাৰী মহিলাসকলৰ বৃত্তিসমূহ তলৰ ৫.২.১ তালিকাত উল্লেখ কৰা হৈছে। তালিকাখন দণ্ডচিত্ৰত অংকন কৰা হৈছে।




Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

তালিকা ৫.২.১

চলাপথাৰ শ্যাম গাঁওৰ তথ্যদানকাৰী মহিলাসকলৰ বৃত্তি

**চলাপথাৰ শ্যাম গাঁওৰ তথ্য প্ৰদানকাৰী মহিলাসকলৰ বৃত্তি**

| বৃত্তি | সংখ্যা | শতকৰা হাৰ |
|---|---|---|
| চাকৰি | 3 | 6% |
| কৃষি | 20 | 40% |
| পশুপালন | 5 | 10% |
| বয়নশিল্প | 8 | 16% |
| ব্যৱসায় | 14 | 28% |
| মুঠ | 50 | 100% |



উপৰোক্ত ৫.২.১ তালিকাৰ পৰা দেখা গ'ল যে চলাপথাৰ শ্যাম গাঁওৰ তথ্যদানকাৰী মহিলাসকলৰ ভিতৰত সৰ্বাধিক 40% মহিলা কৃষি কৰ্মৰ লগত জড়িত। 28% মহিলা ব্যৱসায়, 16% মহিলা বয়নশিল্প, 10% মহিলা পশুপালন আৰু 6% মহিলাৰ বৃত্তি চাকৰি।

**৫.৩ চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ তাই খামিয়াং মহিলাসকলৰ শৈক্ষিক দিশ ঃ**

সমাজ এখনৰ উন্নতি আৰু প্ৰগতিৰ মূল চালিকা শক্তি শিক্ষা। চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ মহিলাসকল শিক্ষাৰ প্ৰতি আগ্ৰহী। মহিলাসকল সন্তানৰ শিক্ষাৰ প্ৰতি আগ্ৰহী আৰু সচেতন। ওচৰ-চুবুৰীয়াৰ শিক্ষাৰ প্ৰতিও মহিলাসকল সচেতন হোৱা দেখা যায়। তেওঁলোকৰ 60% মহিলাই নতুন ব্যৱহৃত প্ৰযুক্তি সম্পৰ্কে জ্ঞাত।

৯০% মহিলাই শিক্ষাৰ দ্বাৰা অন্ধ বিশ্বাস, নিৰক্ষৰতা, কু-সংস্কাৰ আদি সামাজিক ব্যাধিসমূহ আঁতৰ হৈছে বুলি ভাবে। তেওঁলোক শৈক্ষিক ক্ষেত্ৰত সমস্যাৰ মুখামুখি হোৱা দেখা যায়। অৰ্থনৈতিক দুৰাৱস্থা, কৌশলগত শিক্ষাৰ অভাৱ ইয়াৰ অন্যতম কাৰণ।

চলাপথাৰ শ্যাম গাঁওৰ তথ্যদানকাৰী মহিলাসকলৰ শিক্ষাগত অৰ্হতা তালিকা আৰু শিক্ষাগত অৰ্হতাৰ দণ্ডচিত্ৰ তালিকা ৫.৩.১ ত দেখুৱা হৈছে। তালিকাখন দণ্ডচিত্ৰত অংকন কৰা হৈছে।




Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

চলাপথাৰ শ্যাম গাঁওৰ তথ্যদানকাৰী মহিলাসকলৰ শিক্ষাগত অৰ্হতা তালিকা আৰু শিক্ষাগত অৰ্হতাৰ দণ্ডচিত্ৰ তালিকা ৫.৩.১ ত দেখুৱা হৈছে। তালিকাখন দণ্ডচিত্ৰত অংকন কৰা হৈছে।

**তালিকা ৫.৩.১**
**চলাপথাৰ শ্যাম গাঁওৰ তথ্যদানকাৰী মহিলাসকলৰ শিক্ষাগত অৰ্হতা**

চলাপথাৰ শ্যাম গাঁওৰ তথ্য প্ৰদানকাৰী মহিলাসকলৰ শিক্ষাগত অৰ্হতা

| শিক্ষাগত অৰ্হতা | সংখ্যা | শতকৰা হাৰ |
|---|---|---|
| উচ্চ প্ৰাথমিক | 16 | 32% |
| হাইস্কুল শিক্ষান্ত পৰীক্ষা | 17 | 34% |
| উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা | 14 | 28% |
| স্নাতক | 2 | 4% |
| কাৰিকৰী শিক্ষা | 1 | 2% |
| মুঠ | 50 | 100% |



তালিকা ৫.৩.১ ৰ পৰা দেখা গ'ল যে চলাপথাৰ শ্যাম গাঁওৰ তথ্যদানকাৰী মহিলাসকলৰ ভিতৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উৰ্ত্তীণ মহিলাৰ সংখ্যা সৰ্বাধিক। তথ্যদানকাৰী মহিলাসকলৰ ভিতৰত 32% উচ্চ প্ৰাথমিক, 28% উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা 4% মহিলা স্নাতক আৰু 2% মহিলা কাৰিকৰী শিক্ষাৰে শিক্ষিত।

## ৬.০ সামৰণি (Conclusion) ঃ

মহিলাসকলক আত্মসন্মান আৰু আত্মপ্ৰত্যয় প্ৰদান কৰি সুস্থ সামাজিক বাতাবৰণ আৰু অৰ্থনৈতিক ভাৱে স্বচ্ছল কৰি তোলাত গুণগত শিক্ষাই যথেষ্ট সহায় কৰে। গুণগত শিক্ষা আৰু যথোপযুক্ত দক্ষতা আহৰণ কৰি মহিলাসকল আগবাঢ়িলে পৰিবৰ্তিত পৰিবেশত সুস্থভাৱে সমাযোজন কৰিব পাৰিব আৰু এখন সুস্থ সবল সমাজ গঢ়ি উঠিব।

..............................................

Head
Deptt. of Education
N.C.D.G. College, Nitaipukhuri

**সমল গ্ৰন্থ ঃ**


চলিহা, বেদ কুমাৰ, শইকীয়া, তৰুণ আৰু শইকীয়া, ৰুণু বৰা ঃ শিক্ষাৰ সমাজতাত্ত্বিক ভিত্তি, নৱম সংস্কৰণ, বিদ্যা ভৱন, যোৰহাট, ২০১৯।

শইকীয়া, ল, দাস, পাৰুল, কলিতা, প্ৰণীতা আৰু শইকীয়া, নীলাক্ষি ঃ শিক্ষাৰ সমাজতাত্ত্বিক বুনিয়াদ, প্ৰথম প্ৰকাশ, ষ্টুডেণ্টচ্, ষ্ট'ৰচ, গুৱাহাটী, ২০১৯।

দুৱৰা, ধৰ্মেশ্বৰ ঃ অসমৰ জনজাতিসকলৰ উৎসৱ অনুষ্ঠান, প্ৰথম প্ৰকাশ, বাণী মন্দিৰ, গুৱাহাটী, ২০০৬।

https:// as.w.wikipedia.org>wiki


Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

# আলোকচিত্ৰ




অনুসন্ধানকাৰী ছাত্ৰীসকল




চলাপথাৰ বৌদ্ধবিহাৰ সাংস্কৃতিক কেন্দ্ৰ





বয়ন শিল্পৰ লগত জড়িত মহিলা

# চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁওৰ তাই খামিয়াং মহিলা সকলৰ আৰ্থ-সামাজিক অৱস্থা

## প্ৰশ্ন পত্ৰ ঃ ১

**ব্যক্তিৰ ব্যক্তিগত তথ্যঃ**

তথ্যদানকাৰীৰ নাম ঃ

বয়স ঃ

লিংগ ঃ

বৃত্তি ঃ

শিক্ষাগত অৰ্হতা ঃ

মাহেকীয়া আয় ঃ

**গাঁওৰ বিষয়ে ঃ**

১। গাঁওৰ নাম ঃ

২। গাঁও পঞ্চায়তৰ নাম ঃ

৩। জিলাৰ নাম ঃ

৪। গাঁওখনৰ চাৰিসীমা ঃ

৫। গাঁওখনৰ মুঠ জনসংখ্যা ঃ

৬। গাঁওখনৰ মহিলাৰ মুঠ জনসংখ্যা ঃ

৭। গাঁওখনৰ অধিক জনসংখ্যাযুক্ত সম্প্ৰদায় ঃ

৮। গাঁওখনৰ যাতায়ত ব্যৱস্থা ঃ (পকা ৰাস্তা/ কেচা ৰাস্তা/শিলগুটিযুক্ত ৰাস্তা)

**আপোনাৰ গাঁওত থকা বিদ্যালয়ৰ তথ্য ঃ**

| ক্ৰমিক নং | প্ৰকাৰ | বিদ্যালয়ৰ নাম | স্থাপিত | চৰকাৰী/বেচৰকাৰী |
|---|---|---|---|---|
| ১ | প্ৰাক প্ৰাথমিক বিদ্যালয় | | | |
| ২ | প্ৰাথমিক বিদ্যালয় | | | |
| ৩ | মাধ্যমিক বিদ্যালয় | | | |

**সমাজ ব্যৱস্থা ঃ**

১। গাঁওৰ সামাজিক সিদ্ধান্তসমূহ কোনে গ্ৰহণ কৰে? [গাঁওৰ বয়োজেষ্ঠসকলে] [গাঁওবুঢ়াই]

২। সামাজিক সিদ্ধান্তসমূহ সমজোৱাভাৱে গ্ৰহণ কৰেনে? [কৰে] [নকৰে]

৩। সামাজিক সিদ্ধান্তসমূহ গ্ৰহণ কৰোতে মহিলাসকলৰ মতক সমৰ্থন কৰেনে? [কৰে] [নকৰে]

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

৪। সামাজিক সিদ্ধান্তত অংশগ্ৰহণকাৰীসকল হৈছে

(i)..............................................................................................

(ii).............................................................................................

(iii)............................................................................................

(iv).............................................................................................

৫। আপুনি কি ধৰ্ম পালন কৰে? [হিন্দু ধৰ্ম] [বৌদ্ধ ধৰ্ম] [খ্ৰীষ্টান ধৰ্ম]

৬। আপোনাৰ গাঁওত সমজুৱাভাৱে পালন কৰা ধৰ্মীয় অনুষ্ঠানটিৰ নাম কি? [পয়ছাংকেন] [বৌদ্ধ পূৰ্ণিমা]

৭। আপোনাৰ অঞ্চলত পৰম্পৰাগত ভাৱে উৎসৱ পালন কৰে নে? [কৰে] [নকৰে]

৮। আপোনাৰ গাঁওত পৰম্পৰাগত ভাৱে পালন কৰা উৎসৱ, অনুষ্ঠানসমূহ কি কি?

.............................................................................................

৯। কোন উৎসৱৰ দিনা 'কা-আলং' নৃত্য পৰিৱেশন কৰা হয়? [পয়ছাংকেন] [বৰ্ষাবাস]

১০। কোন উৎসৱৰ দিনা 'কা-ফাই' নৃত্য পৰিৱেশন কৰা হয়? [বৌদ্ধ পূৰ্ণিমা] [বৰ্ষাবাস]

১১। আপোনাৰ সমাজত বিবাহ প্ৰথা কেনেদৰে অনুষ্ঠিত কৰা হয়?

উল্লেখ কৰক

(i).............................................................................................

(ii)............................................................................................

(iii) ..........................................................................................

**আৰ্থিক দিশ ঃ**

১। আপুনি কি বৃত্তিৰ লগত জড়িত?

২। আপুনি আৰ্থিক দিশত সুস্থ পাৰিপাৰ্শ্বিক বাতাবৰণ সৃষ্টি কৰিছে বুলি ভাবে নে? [ভাবো] [নাভাবো]

৩। আপুনি বৃত্তিগত দক্ষতা বিকাশ কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে নে? [কৰিছো] [নাই কৰা]

৪। আপুনি আৰ্থিক ক্ষেত্ৰত সমস্যাৰ মুখামুখি হৈছে নেকি? [হৈছো] [নাই হোৱা]

যদি আৰ্থিক ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হৈছে উল্লেখ কৰক

(i).............................................................................................

(ii)............................................................................................

(iii)...........................................................................................

৫। আপুনি আৰ্থিক ক্ষেত্ৰত চৰকাৰৰ পৰা সাহাৰ্য্য লাভ কৰিছে নেকি? [কৰিছো] [নাই কৰা]

**শৈক্ষিক দিশ ঃ**

১। আপোনাৰ পৰিয়ালৰ মহিলাৰ শিক্ষাৰ সৰ্বোচ্চ অৰ্হতা কিমান?.......................................

২। আপুনি সন্তানৰ শিক্ষাৰ প্ৰতি সচেতন নে? [হয়] [নহয়]

৩। আপুনি ওচৰ চুবুৰীয়াৰ শিক্ষাৰ প্ৰতি আগ্ৰহী নে? [হয়] [নহয়]

৪। আপুনি নব্য নতুন ব্যৱহৃত প্ৰযুক্তি সম্পৰ্কে জ্ঞাত নে? [হয়] [নহয়]

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

৫। আপুনি শিক্ষাৰ দ্বাৰা অন্ধ-বিশ্বাস, নিৰক্ষৰতা, কু-সংস্কাৰ আদি সামাজিক ব্যাধিসমূহ আঁতৰ হৈছে বুলি ভাবে নে? ভাবো নাভাবো

৬। শৈক্ষিক ক্ষেত্ৰত আপুনি সমস্যাৰ সন্মুখীন হৈছে নেকি? হৈছো নাইহোৱা

যদি সমস্যাৰ সন্মুখীন হৈছে, উল্লেখ কৰক

(i)..........................................................................................................

(ii).........................................................................................................

(iii)........................................................................................................

.............................................. তথ্যসংগ্ৰহকাৰীৰ স্বাক্ষৰ

.............................................. তথ্যদানকাৰীৰ স্বাক্ষৰ

Head
Dept. of Education
H.C.D.G. College, Nitaipukhuri